# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 17-03-2025** **Time :** 21-25 Hrs

***Assamese Night Bulletin***

::::::::::::::::::::::::::::::::

ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে কামৰূপ জিলাৰ বাবে নিয়োজিত নিৰ্বাচনী পৰ্যবেক্ষক কুলশ্ৰী নাথ আৰু অৰূপ কুমাৰ শৰ্মাই আজি জিলাখনত এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। নিৰ্বাচনী পৰ্যবেক্ষক দুগৰাকীয়ে সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ উপস্থিতিত সহকাৰী ৰিটাৰ্নিং বিষয়াসকলক এই নিৰ্বাচন নিয়াৰিকৈ চলাই নিয়াৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হয়। কামৰূপ জিলাৰ ১৬ টা পৰিষদীয় সমষ্টিৰ বাবে মুঠ ৫২ গৰাকী প্ৰাৰ্থীয়ে দাখিল কৰা আটাইকেইখন মনোনয়ন বৈধ হিচাপে বিবেচিত হয়।

প্ৰাৰ্থীসকলে পৰহিলৈ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। সেইদিনাই বিয়লি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব আৰু ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০০

অহা মে' মাহৰ প্ৰথম সপ্তাহত ৯ হাজাৰ স্নাতকোত্তৰ শিক্ষক পদৰ ফলাফল ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া ফে'চবুক লাইভযোগে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে অহা জুনত প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ মৌখিক পৰীক্ষা অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰে। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সমাজ বিজ্ঞান বিষয়ৰ প্ৰশ্নকাকত কঠিন আছিল বুলি শিক্ষাৰ্থীসকলে কৰি অহা অভিযোগৰ পৰিপ্ৰেক্ষিতত সমাজ বিজ্ঞানত সকলোৰে বাবে অতিৰিক্ত নম্বৰৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাজ্যখনৰ বিভিন্ন স্থানত চৰকাৰে ৰূপায়ণ কৰা আন্তঃগাঁথনিমূলক প্ৰকল্পৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দেৰগাঁৱত সৰুসজাইৰ দৰে বৃহৎ ক্ৰীড়া প্ৰকল্প নিৰ্মাণ কৰা হ'ব আৰু দেৰগাঁৱৰ পুলিচ একাডেমীত আৰক্ষী চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰো পৰিকল্পনা কৰা হৈছে। তেওঁ লগতে দিল্লীত উপেন্দ্ৰনাথ ব্ৰহ্মাৰ নামেৰে পথৰ নামকৰণ কৰা হ'ব বুলিও জানিবলৈ দিয়ে।

০০০০০০০

মণিপুৰৰ চুৰাচান্দপুৰ জিলাত আজি এটা প্ৰতিবাদী সমদল উলিওৱাৰ সময়ত দুটা জনগোষ্ঠীৰ মাজত হোৱা সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত সান্ধ্য আইন বলৱৎ কৰা হয়। সংঘৰ্ষৰ সময়ত দুয়োটা জনগোষ্ঠীয়ে পৰস্পৰৰ মাজত শিলগুটি নিক্ষেপ কৰাৰ বাবে জিলা প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত সান্ধ্য আইন জাৰি কৰে। চুৰাচান্দপুৰ জিলাৰ উপায়ুক্তই জিলাখনত শান্তি আৰু সাম্প্ৰদায়িক সম্প্ৰীতি বজাই ৰাখিবলৈ জনসাধাৰণলৈ আহ্বান জনায়।

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ত আজিৰপৰা সপ্তাহজোৰা কাৰ্যসূচীৰে প্ৰাচীন সাঁচিপুথি পঠন আৰু সংৰক্ষণ কৰ্মশালা অনুষ্ঠিত হৈছে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ডং ননীগোপাল মহন্তই এই কৰ্মশালা উদ্বোধন কৰি কয়, যে পাণ্ডুলিপিসমূহ কেৱল ঐতিহাসিক শিল্পকৰ্মই নহয়, বৰঞ্চ অসমৰ শিক্ষা আৰু সাংস্কৃতিক ঐতিহ্যৰ সৈতে গভীৰভাৱে জড়িত জীৱন্ত উৎস। কৰ্মশালাত গ্ৰন্থাগাৰিক ডং প্ৰশান্ত কুমাৰ ডেকাই বিশ্ববিদ্যালয়খনৰ পুথিভঁৰালত সংৰক্ষিত প্ৰায় ৩০০ বছৰ পুৰণি ৫ হাজাৰ পাণ্ডুলিপি তথা বিলুপ্তপ্ৰায় অসমীয়া পাণ্ডুলিপি, বিশেষকৈ সত্ৰসমূহত থকা পাণ্ডুলিপিসমূহ সংৰক্ষণৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰে। কৰ্মশালাত

অংশগ্ৰহণকাৰী বিশেষজ্ঞসকলে পাণ্ডুলিপি সংৰক্ষণৰ পৰম্পৰাগত পদ্ধতিসমূহক আধুনিক ডিজিটেল কৌশলৰ উপৰি বৈজ্ঞানিক সংৰক্ষণৰ বিষয়ত গুৰুত্ব আৰোপ কৰে।

০০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ’ আৰক্ষী থানাৰ অন্তৰ্গত ছেকছ’ পাহাৰত আজি বিয়লি হাতী-মানুহৰ সংঘাতত এজন লোকৰ মৃত্যু হয়। নিহত ছাৰকিৰি ফুৰা নামৰ লোকজনৰ পৰিয়ালে জানিবলৈ দিয়া মতে পাহাৰৰ পৰা বাঁহ আনিবলৈ যোৱাৰ সময়ত লোকজনক বনৰীয়া হাতীয়ে আক্ৰমণ কৰাত পলাবলৈ চেষ্টা কৰে যদিও হাতীৰ গচকত তেওঁৰ মৃত্যু হয়। ঘটনা সংক্ৰান্তত অঞ্চলটোৰ ৰাইজে বন বিভাগক খবৰ দিয়ে যদিও বহু পৰলৈকে বন বিভাগৰ লোক আহি নোপোৱাত ৰাইজে ছেকছ’ আংলং খণ্ড বন বিষয়া কাৰ্যালয়টোত অগ্নি সংযোগ কৰে। বৈঠালাংছ’ আৰক্ষীয়ে সম্প্ৰতি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

০০০০০

বৰপেটা চহৰৰ মাধৱদেৱপুৰ নিবাসী বিশিষ্ট শিল্পী অজিত দাসৰ আজি বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়  হাস্পতালত দেহাৱসান ঘটে। ৰাজ্য চৰকাৰৰ শিল্পী পেঞ্চন লাভ কৰা প্ৰয়াত দাসৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮০ বছৰ। ভ্ৰাম্যমান থিয়েটাৰৰ কলা-নিৰ্দেশক হিচাপে কাম কৰা দাসে ৰাজ্যখনৰ বহু সত্ৰ, নামঘৰ আৰু ৰাজহুৱা অনুষ্ঠানৰ আকৰ্ষণীয় তোৰণ, মূৰ্তি আদি নিৰ্মাণ কৰিছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০০

কৃষি বিভাগৰ উদ্যোগত আৰু অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ’ৰটিয়ামৰ সহযোগত গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আজিৰে পৰা তিনিদিনীয়াকৈ কৃষক উৎপাদক মেলা অনুষ্ঠিত হৈছে। কৃষি মন্ত্ৰী অতুল বৰাই আজি এই মেলাৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ বিভিন্ন বিপণীসমূহ প্ৰত্যক্ষ কৰাৰ লগতে কৃষক তথা কৃষি উদ্যোগীসকলৰ সৈতে মত-বিনিময় কৰে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় , যে বছৰত দুটা বা তিনিটা বাণিজ্যিক মূল্য থকা শস্যৰ খেতিৰ প্ৰতি কৃষকসকলক আগ্ৰহী কৰি তোলাৰ বাবে এই মেলা অনুষ্ঠিত কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কৃষি খণ্ডৰ ৰূপান্তৰৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাক এই মেলাই নতুন গতি দিবলৈ সমৰ্থ হ’ব বুলি শ্ৰীবৰাই আশা প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটত মুখ্যমন্ত্ৰীৰ উৎকৰ্ষ যোজনাৰ অধীনত কৃষক উৎপাদক সংস্থাসমূহক শক্তিশালী কৰি তোলাৰ বাবে পদক্ষেপ লোৱা হৈছে। এই সংস্থাসমূহৰ কৃষিকৰ্মৰ পৰিচালনা ব্যয়ৰ বাবে প্ৰতিটো সংস্থালৈ ১০ লাখকৈ টকা আগবঢ়াবলৈও বাজেটত প্ৰস্তাৱ লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়।

০০০০

ঃঃ সমাপ্ত ঃঃ